**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 04-06-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

# HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি ভেনিজুৱেলাৰ ভাৰপ্ৰাপ্ত ৰাষ্ট্ৰপতি ডেলচি ৰ'ড্ৰিগছৰ সৈতে নতুন দিল্লীত আলোচনাত মিলিত হ'ব।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত আজি উত্তৰ-পূব পৰিষদৰ ৭৩ সংখ্যক পূৰ্ণাংগ অধিবেশন শ্বিলঙত অনুষ্ঠিত হ'ব।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে কালি নতুন দিল্লীত লাও গণৰাজ্যৰ উপ-প্ৰধানমন্ত্ৰী থংছাভান ফ'মভিহানেৰ সৈতে দশম ভাৰত-লাও পিডিআৰ আয়োগৰ বৈঠকত যুটীয়াভাৱে অধ্যক্ষতা কৰে।

৪। বাৰাণসীত আজি আৰু কাইলৈ ব্ৰিকছ সাংস্কৃতিক কৰ্মগোটৰ দ্বিতীয়খন বৈঠক অনুষ্ঠিত হ'ব।

*আৰু*

৫। মহিলা ছাফ ফুটবল প্ৰতিযোগিতাত ভূটানক ১-০ গ'লত পৰাস্ত কৰি ভাৰতে ফাইনেলত স্থান লাভ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি ভেনিজুৱেলাৰ ভাৰপ্ৰাপ্ত ৰাষ্ট্ৰপতি ডেলচি ৰ'ড্ৰিগছৰ সৈতে নতুন দিল্লীত আলোচনাত মিলিত হ'ব। এই আলোচনাকালত ভাৰত আৰু ভেনিজুৱেলাৰ সম্পৰ্কৰ বিভিন্ন দিশসমূহ সামৰি লোৱাৰ লগতে ইন্ধন সুৰক্ষা, বাণিজ্য আৰু বিনিয়োগ ভেষজ উদ্যোগ, স্বাস্থ্যসেৱা, পৰিবহণ আৰু নবীকৰণযোগ্য শক্তিকে ধৰি কেইবাটাও বিষয়ত সহযোগিতা বৃদ্ধিৰ বিষয়ে চিন্তা-চৰ্চা কৰা হ'ব। উল্লেখযোগ্য যে ৫ দিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ অহা ভেনিজুৱেলাৰ ভাৰপ্ৰাপ্ত ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে দেশখনৰ বৈদেশিক পৰিক্ৰমা, অৰ্থনীতি আৰু বিত্ত, বিজ্ঞান আৰু প্ৰযুক্তি, যোগাযোগ আৰু তথ্য তথা পৰিবহণ মন্ত্ৰীৰে গঠিত এটা দলো আহিছে। ইয়াৰ আগেয়ে শ্ৰীমতী ৰ'ড্ৰিগছে ২০১৫ চনত দেশখনৰ বিদেশ মন্ত্ৰী হিচাপে আৰু ২০১৯, ২০২৩, ২০২৪ আৰু ২০২৫ চনত উপ-ৰাষ্ট্ৰপতি হিচাপে ভাৰত ভ্ৰমণ কৰিছিল। উল্লেখযোগ্য যে শক্তি আৰু বিনিয়োগৰ ক্ষেত্ৰত ভাৰত-ভেনিজুৱেলাৰ গুৰুত্বপূৰ্ণ অংশীদাৰ হৈ আহিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ভাৰতে ভেনিজুৱেলাৰ সৈতে বিভিন্ন খণ্ডত সহযোগিতাত আৰু গ্লোবেল ছাউথৰ প্ৰতি সমৰ্পিত আৰু অংশীদাৰী মনোভাৱেৰে সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক বৰ্তাই ৰাখি আহিছে।

ooooo

উত্তৰ-পূব পৰিষদৰ ৭৩ সংখ্যক পূৰ্ণাংগ অধিবেশন আজি মেঘালয়ৰ ৰাজধানী শ্বিলঙত অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা উত্তৰ-পূব পৰিষদৰ অধ্যক্ষ অমিত শ্বাহৰ সভাপতিত্বত হ'বলগীয়া এই বৈঠকত অঞ্চলটোৰ গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহৰ উন্নয়নৰ বাবে গঠন কৰা মুখ্যমন্ত্ৰী উচ্চ পৰ্যায়ৰ কাৰ্যবাহিনীয়ে লাভ কৰা অগ্ৰগতিৰ বিষয়ে আলোচনা কৰা হ'ব। অধিবেশনত পৰ্যটন, কৃষি আৰু উদ্যানশস্য, বিনিয়োগৰ প্ৰসাৰ,

অৰ্থনৈতিক কৰিড'ৰৰ উন্নয়ন, আন্তঃগাঁথনি আৰু যোগাযোগ তথা হস্ততাঁত আৰু হস্তশিল্প সন্দৰ্ভত উপস্থাপন কৰা হ'ব। এই অধিৱেশনত বিভিন্ন ৰাজ্যৰ প্ৰতিনিধি আৰু অংশীদাৰসকলৰ মাজত উন্নয়নৰ লক্ষ্য সন্দৰ্ভত উমৈহতীয়া মতামত গঢ়ি তোলাৰ লগতে সমন্বিত প্ৰচেষ্টা গ্ৰহণ কৰাৰ প্ৰয়াস কৰা হ'ব। উত্তৰ-পূৰ্বাঞ্চলক ২০৪৭ চনৰ ভিতৰত অৰ্থনৈতিক উন্নয়ন, যোগাযোগ, উদ্ভাৱন, বহনক্ষমতা আৰু সাংস্কৃতিক সমৃদ্ধিৰ প্ৰাণৱন্ত কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে উত্তৰ-পূব ভৱিষ্য পৰিকল্পনা ২০৪৭ সন্দৰ্ভত এই বৈঠকত আলোচনা কৰা হ'ব।

উল্লেখযোগ্য যে ১৯৭১ চনৰ উত্তৰ-পূব পৰিষদ আইনৰ অধীনত প্ৰতিষ্ঠা লাভ কৰা উত্তৰ-পূব পৰিষদে সমগ্ৰ অঞ্চলটোৰ পৰিকল্পনা গ্ৰহণৰ ক্ষেত্ৰত সৰ্বোচ্চ কৰ্তৃপক্ষ হিচাপে কাম কৰি আহিছে। এই পৰিষদে অঞ্চলটোত সমন্বিত উন্নয়ন আৰু সহযোগিতামূলক যুক্তৰাষ্ট্ৰীয়বাদ শক্তিশালী কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। আজিৰ অনুষ্ঠানত ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া, ড'নাৰ ৰাজ্য মন্ত্ৰী সুকান্ত মজুমদাৰ, উত্তৰ-পূবৰ ৮ খন ৰাজ্যৰ ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীসকলৰ লগতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকিব।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি নতুন দিল্লীত লাও গণৰাজ্যৰ উপ-প্ৰধানমন্ত্ৰী তথা বিদেশ মন্ত্ৰী থংছাভান ফ'মভিহানেৰ সৈতে দশম ভাৰত-লাও পিডিআৰ আয়োগৰ বৈঠকত যুটীয়াভাৱে অধ্যক্ষতা কৰে। এই বৈঠকত দুয়ো পক্ষই বাণিজ্য আৰু বিনিয়োগ, স্বাস্থ্য, ইন্ধন, ডিজিটেল যোগাযোগ, অংশীদাৰী উন্নয়ন, সামৰ্থ বৰ্ধন আৰু সংস্কৃতিকে ধৰি বিভিন্ন বিষয়ত আলোচনা কৰে। তেওঁলোকে ভাৰত-আছিয়ান সহযোগিতা বৃদ্ধিৰ বিষয়েও আলোচনা মিলিত হয়। ড০ জয়শংকৰে কয়, যে ভাৰতে লাওজৰ সৈতে প্ৰাচীন সভ্যতা কালৰে পৰা নিকট সম্পৰ্ক ৰক্ষা কৰি আহিছে। দুয়ো দেশৰ ৰামায়ণ আৰু বুদ্ধ দৰ্শনৰ উমৈহতীয়া ঐতিহ্য আছে বুলিও তেওঁ কয়। দেশ দুখনৰ পাৰস্পৰিক সম্পৰ্ক ঐতিহাসিক, গভীৰভাৱে সাংস্কৃতিক আৰু জনসাধাৰণৰ মাজত পাৰস্পৰিক সংযোগজনিত বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ২০২৪ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশখন ভ্ৰমণ কৰা সময়ত ভালেমান বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হৈছিল। এই চুক্তিসমূহ পৰ্যালোচনা কৰাৰ বাবে দুয়ো পক্ষই সুযোগ লাভ কৰিছে বুলি তেওঁ উল্লেখ কৰে। ইয়াৰ লগতে ৰাজনৈতিক সহযোগিতা, অৰ্থনৈতিক আদান-প্ৰদান, প্ৰতিৰক্ষা, উন্নয়নমূলক অংশীদাৰিত্ব, শিক্ষা, সাংস্কৃতিক বিনিময় আৰু বহুপাক্ষিক সহযোগিতাৰ ক্ষেত্ৰতো আলোচনা কৰা হ'ব বুলি তেওঁ কয়।

**বাইট (জয়শংকৰ)**

লাওৰ বিদেশ মন্ত্ৰীগৰাকীয়ে কয়, যে এই বৈঠকে দুয়ো পক্ষক দ্বিপাক্ষিক সহযোগিতাৰ বিভিন্ন দিশত হোৱা অগ্ৰগতি আৰু সাফল্যক চালিজাৰি চোৱাৰ সুযোগ দিব। তেওঁ কয়, যে দুয়ো দেশে ভৱিষ্যতেও পাৰস্পৰিক সহযোগিতা সাৰ্থক কৰি তোলাৰ বাবে নিজৰ সম্পৰ্ক আগবঢ়াই নিয়াটো প্ৰয়োজন। তেওঁৰ এই ভ্ৰমণে ভাৰতৰ সৈতে বিগত ৭ দশকজোৰা সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক অধিক শক্তিশালী কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০০০

বিশ্বৰ অন্যতম প্ৰাচীন মহানগৰী তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সংসদীয় সমষ্টি বাৰাণসীত পুনৰ ঐতিহাসিক আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠানৰ আয়োজন কৰা হ'ব। জি-২০ বৈঠকসমূহ সফলতাৰে অনুষ্ঠিত কৰাৰ

পাছত আজি আৰু কাইলৈ বাৰাণসীত ব্ৰিকছ্‌ সাংস্কৃতিক কৰ্মগোটৰ দ্বিতীয়খন বৈঠক অনুষ্ঠিত হ'ব। চীন, ব্ৰাজিল, ইজিপ্ত, ইথিঅ'পিয়া, ইণ্ডোনেছিয়াকে ধৰি ১১ খন দেশৰ প্ৰতিনিধেয়ে এই বৈঠকত অংশ ল'ব। তদুপৰি বিভিন্ন ৰাষ্ট্ৰৰ কূটনীতিবিদ, নীতি প্ৰণেতা আৰু সাংস্কৃতিক বিশেষজ্ঞসকলো এই অনুষ্ঠানত উপস্থিত থাকিব।

০০০০০

যোগে বিশ্বজুৰি ব্যাপক জনপ্ৰিয়তা লাভ কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে তেওঁ আজি প্ৰথম বিশ্ব যোগাসন ক্ৰীড়া প্ৰতিযোগিতা ২০২৬ত ভাৰ্চুৱেলী অংশ ল'ব। গুজৰাটৰ আহমেদাবাদত হ'বলগীয়া এই প্ৰতিযোগিতাত বিশ্বৰ বিভিন্ন প্ৰান্তৰ যোগাভ্যাসকাৰীয়ে অংশ ল'ব। প্ৰধানমন্ত্ৰীয়ে এই প্ৰতিযোগিতাত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত যোগাভ্যাসক ক্ৰীড়াৰ মৰ্যাদা প্ৰদানৰ গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি উল্লেখ কৰে। তেওঁ এই কাৰ্যসূচী আয়োজন কৰাৰ বাবে উদ্যোক্তাসকলক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে অংশগ্ৰহণকাৰীসকলক শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০

কৰ্ণাটকৰ মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰে শপত গ্ৰহণ কৰাৰ পাছত মন্ত্ৰীসভাৰ প্ৰথমখন বৈঠকত ৰাজ্যখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিনামূলীয়া বাছৰ ব্যৱস্থা কৰিবলৈ লোৱা সিদ্ধান্তৰ কথা ঘোষণা কৰে। সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ছাত্ৰ-ছাত্ৰীসকলে পঞ্জীয়ন কৰি এই বিনামূলীয়া বাছ সেৱাৰ সুবিধা লাভ কৰিব পাৰিব। তেওঁ লগতে নিয়োগ বিনিময় কেন্দ্ৰত নাম পঞ্জীয়ন কৰা যুৱক-যুৱতীসকলৰ নিয়োগৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি উল্লেখ কৰে। শিৱকুমাৰে কয়, যে ব্যক্তিগত খণ্ডত এই যুৱক-যুৱতীসকলক নিয়োগ দিয়াৰ বাবেও উৎসাহিত কৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে কৰ্ণাটকত ক্ৰীড়া, সংস্কৃতি আৰু স্থানীয় কলা সম্পৰ্কীয় কাম-কাজ বিকশাই তোলাৰ বাবে ১০ হাজাৰ ভাৰত জোড়ো যুথ ক্লাব প্ৰতিষ্ঠা কৰা হ'ব বুলি ঘোষণা কৰে। প্ৰতিটো ক্লাবক ১০ লাখ টকাকৈ আৱণ্টন দিয়া হ'ব। তদুপৰি বৃহত্তৰ বেংগালুৰুৰ প্ৰাধিকৰণক পথ আন্তঃগাঁথনি নিৰ্মাণৰ বাবে ২ হাজাৰ কোটি টকাৰ অনুদান দিয়া হ'ব বুলিও তেওঁ ঘোষণা কৰে।

ইয়াৰ আগেয়ে কৰ্ণাটকৰ কংগ্ৰেছ দলৰ বিধায়িনী নেতা ডি কে শিৱকুমাৰে কালি ৰাজ্যখনৰ ২৫ সংখ্যক মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। বেংগালুৰুত আয়োজিত এটা অনুষ্ঠানত ৰাজ্যপাল থাৱৰচান্দ গেহলটে মুখ্যমন্ত্ৰীগৰাকীক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱায়। কৰ্ণাটকৰ প্ৰাক্তন গৃহমন্ত্ৰী ডঃ জি পৰমেশ্বৰে ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। অন্য ১২ গৰাকী বিধায়কেও কালি মন্ত্ৰী হিচাপে শপত লয়। কংগ্ৰেছ দলৰ নেতা ৰাহুল গান্ধী, দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে, দলৰ সাধাৰণ সম্পাদক কে চি বেনুগোপাল আৰু ৰণদীপ সিং সুৰ্যেৱালা, আধ্যাত্মিক নেতা, লেখক, অভিনেতা আৰু বিশিষ্ট উদ্যোগীসকল এই অনুষ্ঠানত উপস্থিত থাকে।

০০০০০

দিল্লীৰ মালবিয়া নগৰৰ এটা অতিথিশালাত কালি পুৱা সংঘটিত অগ্নিকাণ্ডত ১২ গৰাকী বিদেশী নাগৰিককে ধৰি মুঠ ২১ জন লোকৰ মৃত্যু হয়। ইতিমধ্যে ঘটনা সন্দৰ্ভত এজাহাৰ দাখিল কৰি দণ্ডাধীশ পৰ্যায়ৰ তদন্ত ঘোষণা কৰা হৈছে। দিল্লী আৰক্ষীয়ে প্ৰকাশ কৰা মতে এই ঘটনাত গুৰুতৰভাৱে আহত ৪৯ জন লোকক ততালিকে চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও ২১ জনৰ প্ৰাণ হানি হয়। ৮ জন লোকক চিকিৎসাৰ অন্তত ঘৰলৈ যাব দিয়া হয় আৰু বাকীসকল এতিয়াও চিকিৎসাধীন হৈ আছে। দিল্লী আৰক্ষীয়ে

এই ঘটনা সন্দৰ্ভত গোচৰ ৰুজু কৰু তদন্ত অব্যাহত ৰাখিছে। আৰক্ষীয়ে প্ৰকাশ কৰা মতে ভৱনটোৰ গৰাকী লবকেশ বাজাজ নামৰ লোকজনক আটক কৰা হৈছে। দিল্লীৰ মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে প্ৰকাশ কৰা মতে এই ঘটনাৰ কাৰণ নিৰ্ণয় কৰিবলৈ সঠিক তদন্ত কৰা হ'ব আৰু দোষীক উপযুক্ত শাস্তি বিহা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ঘটনাত প্ৰাণ হেৰুওৱা লোকৰ শোক-সন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। শ্ৰীমোদীয়ে প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা মৃতকৰ নিকটাত্মীয়ক ২ লাখ টকাকৈ আৰু আহত সকলক ৫০ হাজাৰকৈ দিয়া হ'ব বুলি ঘোষণা কৰিছে।

ooooo

মহিলা ছাফ ফুটবল প্ৰতিযোগিতাত কালি গোৱাৰ মাডগাঁৱত অনুষ্ঠিত দ্বিতীয়খন ছেমিফাইনেলত ভূটানক ১-০ গ'লত পৰাস্ত কৰি ভাৰতে ফাইনেলত স্থান লাভ কৰিছে। খেলৰ ৫৮ মিনিটত ছানফিডা নংৰুমে বিজয়সূচক গ'লটো দি ভাৰতক ফাইনেলত উপনীত কৰায়। ৫ বাৰৰ চেম্পিয়ন ভাৰতে অহা শনিবাৰে সন্ধিয়া চাৰে ৬ বজাত ডিফেণ্ডিং চেম্পিয়ন বাংলাদেশৰ বিৰুদ্ধে ফাইনেলত অৱতীৰ্ণ হ'ব। ইয়াৰ আগেয়ে বাংলাদেশে নেপালত ২-১ গ'লত পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

সমাপ্ত